# অসম বিধান সভা
## তৰাযুক্ত প্ৰশ্ন নং - ১৭০
## উত্তৰ দানৰ তাৰিখ – ২২/০৭/২০২৬

তৰাযুক্ত প্ৰশ্ন নং – ১৭০

বিষয়ঃ কৃষিভূমিলৈ পানী যোগানৰ বাবে জলসিঞ্চন আঁচনি। বিধায়ক – শ্ৰী জীৰেশ ৰায়ঃ

**<u>মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ</u>**

(ক) বিলাসীপাৰা বিধানসভা সমষ্টিত কৃষিভূমিলৈ পানী যোগানৰ বাবে মুঠ কিমান জলসিঞ্চন আঁচনি কাৰ্যকৰী হৈ আছে ?

(খ) ইয়াৰ ভিতৰত বৰ্তমান কিমান আঁচনি বিকল হৈ আছে ?

(গ) বিকল আঁচনি সমূহ পুনৰ কাৰ্য্যক্ষম কৰাৰ বাবে চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে আৰু কেতিয়ালৈকে সেই কাম সম্পূৰ্ণ কৰা হব ?

**<u>মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা মহোদয়ে উত্তৰ দিবঃ</u>**

(ক) বিলাসীপাৰা সমষ্টিত মুঠ ১৩ খন জলসিঞ্চন আঁচনি আছে ইয়াৰে ভিতৰত ৮ খন জলসিঞ্চন আঁচনি কাৰ্য্যকৰী হৈ আছে, ৪ খন জলসিঞ্চন আঁচনি অচল অৱস্থাত আছে আৰু ১ খন আঁচনিৰ নিবিদা প্ৰক্ৰিয়া চলি আছে । কাৰ্য্যকৰী হৈ থকা আঁচনি সমূহ হ'ল-

১) হাকামা উত্তোলক জলসিঞ্চন আঁচনি।

২) আন্দুৰঝাৰ সৌৰশক্তি চালিত গভীৰ নলীনাদ আঁচনি।

৩) চাচলাপাৰা গভীৰ নলীনাদ আঁচনি

৪) RIDF-VIII (NABARD) ২০২২-২৩ ৰ অধীনত সৌৰশক্তি চালিত মধ্যমীয়া গভীৰ নলীনাদ আঁচনি (৪ টা পইন্ট)।

৫) RIDF-XXIX (NABARD) ২০২৩-২৪ ৰ অধীনত সৌৰশক্তি চালিত মধ্যমীয়া গভীৰ নলীনাদ আঁচনি (৩ টা পইণ্ট)।

৬) SOPD-G ২০২৩-২৪ ৰ অধীনত সৌৰশক্তি চালিত মধ্যমীয়া গভীৰ নলীনাদ আঁচনি (১ টা পইণ্ট)।

৭) RIDF-XXX (NABARD) ২০২৪-২৫ ৰ অধীনত সৌৰশক্তি চালিত মধ্যমীয়া গভীৰ নলীনাদ আঁচনি (২ টা পইন্ট)।

৮) SOPD-G ২০২২-২৩ ৰ অধীনত সৌৰ আৰু বৈদ্যুতিক শক্তি চালিত নলীনাদ আঁচনি (২ টা পইন্ট)।

ইয়াৰ উপৰিও SOPD-G ২০২৫-২৬ ৰ অধীনত সৌৰ শক্তি চালিত নলীনাদ আঁচনি (৫ টা পইন্ট) গ্ৰহণ কৰা হৈছে। আঁচনিখনৰ পুনৰ নিবিদা জাননী জাৰি কৰা হৈছে।

(খ) ১৩ খন আঁচনিৰ ভিতৰত ৪ খন (২ খন উত্তোলক জলসিঞ্চন আঁচনি আৰু ২ খন গভীৰ নলীনাদ আঁচনি বিকল হৈ আছে।

(গ) বিলাসীপাৰা সমষ্টিত মুঠ ৪ খন জলসিঞ্চন আঁচনি অকাৰ্যক্ষম হৈ আছে। ইয়াৰে গৌৰাং উত্তোলক জলসিঞ্চন আঁচনি, গৌৰীপুৰ উত্তলোক জলসিঞ্চন আঁচনি (যমদুৱাৰ পইণ্ট), আৰু সৌৰশক্তি চালিত কুৰ্শাকাটি গভীৰ নলীনাদ আঁচনিকেইখন মেৰামতি কৰি কাৰ্যক্ষম কৰিবলৈ মেৰমতি শিতানত প্ৰস্তাৱ পোৱা গৈছে । কৃষকসকলৰ চাহিদা নিৰূপণ, সম্ভাৱ্যতা অধ্যয়ন, প্ৰাৰম্ভিক জৰীপ আদি সম্পন্ন কৰাৰ পিছত বিভাগে পৰ্যায়ক্ৰমে পৰৱৰ্তী কাৰ্যবিধি গ্ৰহণ কৰিব।

ইয়াৰ উপৰিও, বহলপুৰ গভীৰ নলীনাদ আঁচনিখনৰ অধিকাংশ জলসিঞ্চন এলেকা কৃষি বিজ্ঞান কেন্দ্ৰ, ধুবুৰী আৰু গোশালাৰ অধীনত অন্তৰ্ভুক্ত আৰু কৃষি বিজ্ঞান কেন্দ্ৰই নিজাববীয়াকৈ পানী যোগানৰ ব্যৱস্থা গ্ৰহণ কৰি লৈছে।

XXXXX